# দিল্লী চৰকাৰৰ জল সাহাৰ্য্য

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

পৰিচয়বিহীন বহুতো লোকক পৰিমানবিহীন সাহাৰ্য্য প্ৰদান কৰা হৈছে । সাহাৰ্য্যৰ জড়িয়তে চৰকাৰে দাম কম কৰিব নোৱাৰে । ই বৰ্ত্তমান চলি থকা শুল্ক আৰু মূল্যতে কাৰ্য্য কৰিব । ই কেৱল কৰ দাতাৰ টকাক সাহাৰ্য্য পাব লগা মানুহৰ শাখাক দিব । যদি অধিক পৰিমাণৰ সাহাৰ্য্য দিয়া হয় তেন্তে কৰ সমূহো বৃদ্ধি কৰিব লাগিব । সাহাৰ্য্য প্ৰদানৰ জড়িয়তে চৰকাৰে ভাৱিছে যে তেওঁলোক সফল হ'ব পাৰিছে ই আচলতে ভবিষ্যতৰ বাবে ধাৰৰ পৰিমাণহে বঢ়াইছে । এনে সাহাৰ্য্যই হয়তো কিছু শাখাৰ জনসাধাৰণক আঘাতহে কৰিব । আচঁনিৰ উদাহৰণ লৈ মিটাৰ ব্যৱস্থাৰ জড়িয়তে সেইসকল লোকক জলসাহাৰ্য্য দিয়া হ'ব যি ২০ কিলোলিটাৰতকৈ কম পানী পায় । সাহাৰ্য্যই যোগান প্ৰতিষ্ঠানৰ স্বাস্থ্যত আঘাতহে সানিব । প্ৰকৃত প্ৰত্যাহ্বান হৈছে যে বাহিৰৰ জল যোগান ব্যৱস্থাকো ইয়াৰ বাবে সংযোগ কৰিব লাগিব । প্ৰত্যেক অঞ্চলত পাইপ লাইন পুতাৰ লগতে, সুস্থ বিভাগৰ জৰিয়তে প্ৰত্যেক ঘৰতে পানীৰ টেপ বহুৱাব পৰা যাব, কিন্তু দিল্লী জল বৰ্ডৰ জৰিয়তে কৰিলে বিত্তীয় ব্যৱস্থা শোচনীয়হে হ'ব । এই জল সাহাৰ্য্যই দিল্লীৰ দূৰ্বল লোকৰ শাখাক সম্পূৰ্ণৰূপে অৱমাননা কৰিছে । দিল্লীৰ দুখীয়া লোকসকল এই জল সাহাৰ্য্য আচঁনিৰ পৰা বিৰত হৈছে । পাইপলাইনৰ অবিহনে থকা অঞ্চলসমূহ, টেপৰ অবিহনে থকা গৃহসমূহ, মিটাৰৰ অবিহনে থকা ঘৰসমূহ আৰু বেয়া মিটাৰ থকা ঘৰসমূহ এনে যিকোনো সাহাৰ্য্যৰ পৰা বিৰত থকিব । এন ডি এম চি অঞ্চলৰ ঘৰসমূহ, বিশেষভাৱে যিবোৰ কৰ্মকৰ্ত্তা কম দৰমহাত আছে, আৰু দিল্লীৰ কেন্টনমেণ্ট অঞ্চলত থকা ঘৰসমূহো এই জল সাহাৰ্য্যৰ পৰা বিৰত আছে । এই সাহাৰ্য্যই দূৰ্বল শ্ৰেণীটোক অৱমাননা কৰিছে আৰু একেবাৰে কম সংখ্যক মিটাৰ থকা লোকককহে অন্তৰ্ভূক্ত কৰিছে ।

দিল্লীৰ ১৮ লাখ জল সংযোগ ব্যৱস্থা আছে । ইয়াৰে ভিতৰত ৮.৫ লাখ কাৰ্য্যৰত মিটাৰ । প্ৰায় ৫ লাখ মিটাৰ কাৰ্য্যৰত নহয় অথবা দোষযুক্ত । আৰু বাকীসমূহত মিটাৰেই নাই । দিল্লীত থকা বহুখিনি ঝুগীৰ জলসংযোগেই নাই আৰু তেওঁলোক বিনামুলীয়া জল আচঁনিৰ পৰা বিৰত থাকিব । তেওঁলোকে কেৱল টেংকাৰৰ ওপৰত নিৰ্ভৰ কৰে । বহুতো অস্বীকৃতিপ্ৰাপ্ত কল'নিৰ পানীৰ পাইপলাইনেই নাই আৰু বহুতো পানীৰ

পাইপলাইনৰ সীমাৰ পৰা বিৰত আছে । বহুতো ব্যক্তিগত ঘৰতো পানীৰ সংযোগ নাই আৰু তেওঁলোকো বিনামুলীয়া জল আচঁনিৰ পৰা বিৰত থাকিব । বহুখিনি ক'প্ৰ্ৰেটিভ হাউচিং চ'ছাইটিৰ অত্যাধিক সংযোগ আছে অথচ ব্যক্তিগত ফ্লেটসমূহত মিটাৰেই নাই । তেওঁলোকেও বিনামুলীয়া জলসেৱা নাপায় । দিল্লীৰ বহুতো মধ্যবিত্ত শ্ৰেণীৰ ব্যক্তিসকল যাৰ মিটাৰৰ সংযোগ আছে আৰু যিসকলে ২০ কিলোলিটাৰতকৈও কম লিটাৰ পানী পায় অৰ্থাৎ ৬৬৬ লিটাৰ পানী প্ৰত্যেক দিনাই পায় তেওঁলোকেহে বিনামূলীয়া পানীৰ সেৱা পাব । যিসকলে ২০ কিলোলিটাৰতকৈ অধিক পানী পাই আছে তেওঁলোকে ১০ শতাংশ অধিক শুল্ক দিব লাগিব । অৰ্থাৎ দিল্লীক ৪টা শ্ৰেণীত ভাগ কৰা হৈছে । প্ৰথমটো হৈছে সেইসকল যিসকলৰ টেপ আৰু পাইপলাইনৰ সংযোগ নাই তেওঁলোক আচঁনিৰ পৰা বিৰত থাকিব । যি সকলৰ বেয়া অথবা মিটাৰ নাই তেওঁলোকো আচঁনিৰ পৰা বিৰত থাকিব আৰু পানীৰ বাবে টকা দিব লাগিব । যিবোৰ মিটাৰ কাৰ্য্যৰত আৰু প্ৰত্যেক মাহত ২০ কিলোলিটাৰতকৈ কম পানী পাই আছে তেওঁলোক লাভৱান হ'ব, আৰু যি বোৰ কাৰ্য্যৰত মিটাৰ, যি ২০ কিলোলিটাৰতকৈ অধিক পানী পায় তেওঁলোকে ১০ শতাংশ বেছি দিব লাগিব । এই লাভ যিমান বিস্তৃত পৰিমাণত পাব লাগিছিল সিমান নাপাই ৪টা শ্ৰেণীত বিভক্ত হৈ পৰিছে । আৰু এই শ্ৰেণী সমূহ সচাঁঅৰ্থত পাব লগা শ্ৰেণী নহয় ।